

নদ-নদীৰে অঞ্চলটো গঠিত। সমুদ্র উপকূলৱৰ্তী বন বা সমুদ্রবনৰপৰা অঞ্চলটোৰ নাম সুন্দৰবন হোৱা বুলি কোৱা হয়। আন এচামৰ মতে ইয়াত পৰ্যাপ্ত পৰিমাণে পোৱা সুন্দৰী নামৰ লতা জাতীয় গছৰ বাবে অঞ্চলটোৰ নাম সুন্দৰবন হয়।

নামৰ উৎপত্তি য'ৰেপৰাই নহওক, সুন্দৰবন যে মনোৰম (সুন্দৰ) বন তাত কোনো সন্দেহ নাই। বিশ্বৰ বৃহত্তম মেনগ্ৰ'ভ অৰণ্য সুন্দৰবনৰ দুই-তৃতীয়াংশ বাংলাদেশৰ অন্তৰ্ভুক্ত হ'লেও সুন্দৰবনৰ মোহময়ী প্ৰাকৃতিক সৌন্দৰ্য এক কথাত ৰহস্যময়। প্ৰকৃতিপ্ৰেমীসকলৰ বাবে সুন্দৰবনৰ আকৰ্ষণ দুৰ্নিবাৰ। ভূ-বিজ্ঞানীসকলৰ মতে সুন্দৰবনৰ উৎপত্তি তুলনামূলকভাৱে আধুনিক কালৰ। আনকি দুই-তিনি হাজাৰ বছৰ আগলৈকে এই অঞ্চল সাগৰৰ অতল গৰ্ভত নিমজ্জিত হৈ আছিল। পাছত গংগাৰ মূল প্ৰৱাহ ভৈৰৱ আৰু তাৰ পাছত পদ্মালৈ পৰিৱৰ্তিত হোৱাত সুন্দৰবন ব-দ্বীপৰ উৎপত্তি হয়।

সেউজ দৃষ্টিনন্দন অৰণ্যৰে আৱৰা সুন্দৰবনৰ আৰণ্যক জীৱন অতি সমৃদ্ধ। মূল সুন্দৰবন ৰাষ্ট্ৰীয় উদ্যানখনৰ মাটিকালি ২,৫৮৫ বৰ্গকিল'মিটাৰ। টেঁকীয়াপতীয়া বাঘৰ আবাসভূমিৰূপে সুন্দৰবন বিখ্যাত। টেঁকীয়াপতীয়া বাঘৰ সংৰক্ষণৰ বাবে ১৯৭৩ চনত সুন্দৰবনক ব্যাঘ্ৰ প্ৰকল্প হিচাপে স্বীকৃতি দিয়া হয়। বাঘৰ উপৰি ইয়াত পোৱা কুম্ভীৰ, বনৰীয়া গাহৰি, হৰিণা, বিভিন্ন প্ৰকাৰৰ সামুদ্ৰিক কাছ, সাপ, ঘঁৰিয়াল, বিভিন্ন প্ৰজাতিৰ চৰাই আদিয়ে সুন্দৰবনক বিশ্ব বন্যপ্ৰাণী মানচিত্ৰত অদ্বিতীয় কৰি তুলিছে। ১৯৮৪ চনত সুন্দৰবনক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰা হয়। একেদৰে ১৯৮৭ চনত ইউনেস্ক'ৱে ইয়াক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে।

সুন্দৰবন কলকাতা মহানগৰৰপৰা প্ৰায় ১১০ কিল'মিটাৰ দূৰৈত অৱস্থিত। ভাৰতৰ আন কোনো মহানগৰীৰ ইমান ওচৰত এনে নয়নাভিৰাম আৰণ্যক সৌন্দৰ্যৰ খনি নাই। সুন্দৰবনৰ ভিতৰতে আছে সজনেখালি পক্ষী অভয়াৰণ্য। এই অভয়াৰণ্যৰ মাটিকালি ৩৬২ বৰ্গ কিল'মিটাৰ।

## জানিও নাজানো কি

## পেটেণ্ট আৰু কপিৰাইট

■ কোনো পণ্য, বৈজ্ঞানিক তথ্য আদিৰ উদ্ভাৱকৰূপে লাভ কৰা এদনীয়া স্বত্বক পেটেণ্ট (Patent) বোলে। পেটেণ্ট পোৱা সামগ্ৰীৰ গৰাকী বা সংস্থাৰ বাহিৰে আনে তেনে সামগ্ৰীৰ গৱেষণা বা উৎপাদন কৰিব নোৱাৰে। নিৰ্দিষ্ট সময়সীমাৰ (সাধাৰণতে ২০-৫০ বছৰ) বাবে পেটেণ্ট প্ৰদান কৰা হয়। কোনো মৌলিক আৱিষ্কাৰ তথা উদ্ভাৱনক পেটেণ্টে সুৰক্ষিত কৰে। ইয়াৰ ফলত আৱিষ্কৃত বা উদ্ভাৱিত সামগ্ৰীবিধৰ গৱেষণা, উৎপাদন বা ব্যৱসায় কৰাৰ একচেটিয়া অধিকাৰ কেৱল আৱিষ্কাৰক/উদ্ভাৱকজনৰহে থাকে। অৱশ্যে মৌলিক আৰু উপযোগিতা থকা সামগ্ৰীৰহে পেটেণ্ট পোৱা যায়। এবাৰ পেটেণ্ট পালে নিৰ্দিষ্ট সময়লৈকে আৱিষ্কাৰকৰ অনুমতি অবিহনে সেইবিধ সামগ্ৰীৰ গৱেষণা বা ব্যৱসায় আনে কৰিব নোৱাৰে। আৱিষ্কাৰকে ইচ্ছা কৰিলে পৃথিৱীৰ বিভিন্ন দেশত সামগ্ৰীবিধৰ পেটেণ্টৰ বাবে আবেদন কৰিব পাৰে। সেই সকলো দেশৰপৰা পেটেণ্ট পালে আৱিষ্কৃত সামগ্ৰীবিধ সেইবোৰ দেশতো সুৰক্ষিত হৈ থাকে।

নতুন যৌগ, খেলনা, বৈজ্ঞানিক পদ্ধতি বা তত্ত্ব, নক্সা, যন্ত্ৰ, সুগন্ধি, ঔষধ আদি যিকোনোৰে পেটেণ্ট পাব পাৰি।




মূল গ্ৰন্থ, সংগীত, চিত্ৰ আদিৰ প্ৰতিলিপি বা নকল কৰাৰ আইনগত এদনীয়া স্বত্ব বা কপিৰাইটকো (Copyright) পেটেণ্টৰ সমাৰ্থক বুলিব পাৰি। মূলতঃ গ্ৰন্থৰ লগত এই শব্দটো জড়িত। সাধাৰণতে গ্ৰন্থ ৰচয়িতাৰ জীৱিতকালত প্ৰকাশিত ৰচনাৰ স্বত্ব বা কপিৰাইট তেওঁৰ জীৱদ্দশাৰ উপৰি ৰচয়িতাৰ মৃত্যুৰ ৬০ বছৰ পাছলৈকে সংৰক্ষিত হৈ থাকে। যুগ্ম ৰচয়িতাৰ ক্ষেত্ৰত, তেওঁলোকৰ জীৱদ্দশাত, আৰু যুগ্ম ৰচয়িতাৰ শেষজনৰ মৃত্যুৰ ৬০ বছৰ পৰ্যন্ত গ্ৰন্থস্বত্ব সংৰক্ষিত হৈ থাকে। কপিৰাইট উলংঘা দণ্ডনীয় অপৰাধ; ইয়াৰ বাবে অৰ্থদণ্ড আৰু কাৰাদণ্ড দুয়োবিধ শাস্তিৰ ব্যৱস্থা আছে। ভাৰতকে ধৰি পৃথিৱীৰ প্ৰায় সকলো দেশতে কপিৰাইটৰ জৰিয়তে ৰচয়িতাৰ অধিকাৰ আৰু স্বত্ব সংৰক্ষণ তথা সুৰক্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। কপিৰাইট শব্দটো বুজাবলৈ © চিনটো ব্যৱহাৰ কৰা হয়।

## বুদ্ধি-যুক্তি



১। ওপৰৰ নক্সাবোৰৰ এটা নক্সা আনবোৰৰ লগত নিমিলে। কোনটো নিমিলে আৰু কিয়?

২। ১২ডাল জুইশলা কাঠী লওক আৰু তলত দিয়া ধৰণে লিখক ঃ

VI - IV = IX

অংকটো কিন্তু ভুল হৈছে। ৬-ৰপৰা চাৰি গ'লে ৯ হয় জানো? এডাল কাঠী ইফাল-সিফাল কৰি চাওকচোন। উত্তৰটো সহজেই পাব।

উত্তৰটো অৱশ্যে দহো কৰিব পাৰি। কেনেকৈ ?

## যোৱা সংখ্যাৰ 'বুদ্ধি-যুক্তি'ৰ উত্তৰ

১। জ আৰু ছ।

২। ক, খ আৰু গ-ত পূৰণ ফলবোৰ ক্ৰমে বাঢ়ি গৈছে, কিন্তু ঘ-ত মানবোৰ ক্ৰমে কমি গৈছে।

**শান্তনু কৌশিক বৰুৱা,**
শুৱনি পথ, মংগলচণ্ডী থানৰ সমীপত,
বীৰকুছি, নাৰেংগী, গুৱাহাটী-৭৮১০২৬,
ফোন ঃ ৯৪৩৫০৮৯৩৭৫, ৭০৮৬৩৩৪০৯০
ই-মেইল ঃ santanukausik@gmail.com